সোণালী জয়ন্তী ২০১৪

# ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়

Golden Jubilee 2014

# Tyagbir Hem Baruah College

T,H.B, College Library
ACC,



স্মৃতিগ্ৰন্থ




প্ৰখ্যাত গান্ধীবাদী নেতা, বিশিষ্ট স্বাধীনতা সংগ্ৰামী ত্যাগবীৰ হেমবৰুৱাদেৱৰ পবিত্ৰ স্মৃতিত প্ৰতিষ্ঠা কৰা আৱক্ষ মূৰ্তি




জাতীয় শ্বহীদসকলৰ পবিত্ৰ স্মৃতিত মহাবিদ্যালয়ত স্থাপিত শ্বহীদ বেদী

# ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ সাম্প্ৰতিক শিক্ষা

ড° সদানন্দ হাজৰিকা

১৯৬৩ চনৰ ১৬ জুলাইত নদুৱাৰবাসী ৰাইজৰ অশেষ কষ্টৰ বিনিময়ত গঢ়ি উঠা বৰ্তমানৰ ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ে ২০১৩ চনত সম্পূৰ্ণ ৫০ বছৰ অতিক্ৰম কৰিলে। এখন মহাবিদ্যালয়ে সোণালী জয়ন্তীবৰ্ষ গৰকিব পৰাটো প্ৰতিষ্ঠা কৰা ৰাইজৰ বাবে কিমান আনন্দ আৰু গৌৰৱৰ কথা তাক ভাষাৰে বুজাব নোৱাৰি। এইক্ষেত্ৰত আটাইতকৈ ডাঙৰ কথা হ'ল যে মহাবিদ্যালয় এখনে ছাত্ৰ-ছাত্ৰীসকলক বৰ্তমান যুগৰ লগত খাপ খাব পৰাকৈ শিক্ষা দিয়াত কিমান সফল হ'ব পাৰিছে। আন কথাত ক'বলৈ গ'লে বৰ্তমান বিশ্বত গা-কৰি উঠা বিশ্বায়নৰ ঢৌৱে শিক্ষাজগতখনলৈ যিধৰণে প্ৰত্যাহ্বান আনিছে সেই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ কেনেধৰণেৰে ছাত্ৰ-ছাত্ৰীসকলক সাজু কৰি তুলিব পাৰিছে তাৰ ওপৰতহে নিৰ্ভৰ কৰে মহাবিদ্যালয়খনৰ প্ৰকৃত সফলতা। কোৱা বাহুল্য যে অসমৰ শিক্ষানুষ্ঠানৰ কথা বাদেই ভাৰতবৰ্ষতো অতি কমসংখ্যক শিক্ষানুষ্ঠানেহে এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব পাৰিছে। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (NAAC)ৰ ৰিপ'ৰ্টমতেই বৰ্তমান ভাৰতবৰ্ষত ৯০ শতাংশ কলেজ আৰু ৭০ শতাংশ বিশ্ববিদ্যালয়ৰ গুণগত মানদণ্ড নিম্নখাপৰ। অসমৰ কটন মহাবিদ্যালয়ৰ নিচিনা মহাবিদ্যালয়ৰে স্থান ভাৰতবৰ্ষৰ শীৰ্ষ ৫০ খন মহাবিদ্যালয়ৰ শেষৰ ফালেহে। ইয়াৰ পৰাই অনুমেয় অসমৰ অতি পিছপৰা গ্ৰাম্য অঞ্চল বা মফচলীয়া অঞ্চলসমূহত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়সমূহৰ পুতৌ লগা অৱস্থাতো। ছাত্ৰ-ছাত্ৰীৰ অত্যাধিক হেঁচা, প্ৰয়োজন অনুপাতে শিক্ষকৰ অভাৱ আৰু উচ্চশিক্ষাখণ্ডত নিম্নতম বিনিয়োগে গুণগত শিক্ষা প্ৰদানত প্ৰভূত্ব বাধাৰ সৃষ্টি কৰিছে।

২০১৩-১৪ ৰ সোণালী জয়ন্তী বৰ্ষত ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ে মুঠ চৌধ্যটা বিভাগত মুঠ ১৬৭৩ জন ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানৰ উপৰিও কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, IDOL আদি বিভাগত ৩০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। মুঠ ৪৫ জন শিক্ষকৰ ১৭ জন সহযোগী, ২১ জন সহকাৰী আৰু ৭ জন অস্থায়ী শিক্ষকৰ ৯ জন পি এইচ ডি, ১৭ জন এম ফিল আৰু ১০ জন অন্যান্য ডিগ্ৰীধাৰী ব্যক্তি। বিশ্বায়নে সমগ্ৰবিশ্বৰ নিয়োগ সৃষ্টিত যি ৰূপান্তৰ আনিলে তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মহাবিদ্যালয়তো নিয়োগ তথা স্বনিয়োগৰ সুবিধা হোৱাকৈ কিছুমান বিষয়ত কাৰীকৰি শিক্ষাত গুৰুত্ব প্ৰদান কৰা হৈছে। নিয়োগ তথা স্ব-নিয়োগৰ সুবিধা হোৱাকৈ UGC ৰ অৰ্থ সাহাৰ্যত মহাবিদ্যালয়ত চলাই থকা হৈছে Career oriented programme (COP)। ইয়াৰ অধীনত শিক্ষাদান চালি থকা বিষয়কেইটা হৈছে— ইণ্ডাষ্ট্ৰিয়েল ফিচ এণ্ড ফিচাৰিজ, ফুড্ প্ৰচেচিং এণ্ড প্ৰিজাৰডেচন আৰু চেৰিকালচাৰ। এই বিষয়সমূহ ছমহীয়া কাৰ্যক্ৰমৰ। বৰ্তমান তিনিজন বিষয় সমন্বয়কৰ উপৰিও এগৰাকী প্ৰধান সমন্বয়কৰ জৰিয়তে শিক্ষাদান কৰা হয়। এই বিষয়কেইটাৰ অধ্যয়নৰ বাবে ছাত্ৰ-ছাত্ৰীৰ পৰা কোনো মাচুল লোৱা নহয়। এই শিক্ষা লাভৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে স্বনিয়োগৰ ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছে। ভৱিষ্যতে টেইলৰিং আৰু ইলেকট্ৰিচিয়ান বিষয় দুটা খোলাৰ বাবে মহাবিদ্যালয়ে আঁচনি গ্ৰহণ কৰিছে। তদুপৰি C-DAC ৰ সৌজন্যত মহাবিদ্যলয়ৰ Computer Education Centre টোৱে ২০০৩ চনৰ পৰাই নিৰৱচিন্নভাৱে ছাত্ৰ-ছাত্ৰীক পাঠ দানৰ উপৰিও এই অঞ্চলৰ যুৱক-যুৱতীসকলক কম্পিউটাৰৰ বিভিন্ন প্ৰয়োগিক শিক্ষাৰে কৌশলী মানৱ সম্পদ (Skilled manpower) গঢ়াত প্ৰত্যক্ষ অৰিহণা যোগাইছে। মহাবিদ্যালয়ত এটা সু-সজ্জিত কম্পিউটাৰ লেবৰেটৰীৰ উপৰিও তথ্য প্ৰযুক্তিৰ বহু প্ৰয়োজনীয় কিতাপৰ এটা লাইব্ৰেৰী। প্ৰয়োজন সাপেক্ষে মাজে মাজে অনুষ্ঠিত হয় কম্পিউটাৰ বিষয়ক অৰিয়েনটেচন পাঠ্যক্ৰম. নিয়মীয়া পাঠদানৰে কম্পিউটাৰ শিক্ষাৰ অন্যান্য বহুবিষয়ৰ লগতে Postgraduate diploma in computer application, advance diploma in computer programming আৰু Advance diploma in computer Application আদি সংযোজিত কৰা হৈছে।

"দি নেচনেল স্কিলচ্ ডেভেলপমেণ্ট কমিচন"ৰ এটা টোকাত প্ৰকাশ পাইছে যে অহা ২০১৫ চনত ভাৰতবৰ্ষত ৮৫ নিযুত কৌশলী মানৱ সম্পদৰ প্ৰয়োজন হ'ব; কিন্তু ভাৰতবৰ্ষই তেনে সম্পদৰ মাত্ৰ ৩ নিযুতহে উৎপাদন কৰিব পাৰিব। নকলেও হ'ব যে কৌশলী মানৱসম্পদৰ সৃষ্টিত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰসমূহে মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। সেই উদ্দেশ্য মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো বৰ্তমান যুগৰ লগত খাপ খুউৱাব পৰাকৈ গঢ়ি তোলাৰ চেষ্টা কৰা হৈছে। হায়াৰ চেকেণ্ডাৰী, ডিগ্ৰীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন পুৰাব পৰাকৈ প্ৰৰ্যপ্ত পুথিৰ লগতে শেহতীয়া পাঠ্যক্ৰম আৰু প্ৰশ্নবেংক, প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ তথ্যপাতি সম্বলিত পুথি, সেৱাবিধি আৰু গেজেট, UGC আৰু বিশ্ববিদ্যালয়ৰ ৰেগুলেচন তথা বুলেটিন, আয়কৰ আৰু তথ্য জনা অধিকাৰ আইনৰ কিতাপ। পুথিভঁৰালটোত বৰ্তমান পুথিৰ সংখ্যা ২১০৫০ খন। ইয়াত উপলব্ধ হয় ১১ খন জাৰ্নেল, ১২ খন নিয়মীয়া আলোচনী। পুথিভঁৰালটোত থকা পেৰডিকেলচ্‌ৰ সংখ্যা ৫৮৩১, বেক্ ভলিউম, ১৫৮ খন আৰু ৫ খন অতিমূল্যবান মেনুষ্ক্ৰিপট্‌ছ আছে। পুথিভঁৰালটো SOUL 2.0 (Inflibnet centre, Ahmedabad) ৰে Automation ৰ কাম চলি আছে। তদুপৰি E-resources consortium ৰ NLIST ৰ যোগে ৫০০০ তকৈয়ো অধিক e-journals আৰু ৭০,০০০ তকৈয়ো অধিক e-books ব্যৱহাৰৰ সুবিধা লোৱাৰ ব্যৱস্থা আছে এই পুথিভঁৰালত। ইণ্টাৰনেট আৰু জেৰক্সৰ সুবিধাৰো ইয়াত ব্যৱস্থা আছে।

বৰ্তমান মহাবিদ্যালয়ত সকলো বিভাগকে সাঙুৰিব পৰাকৈ এটা 'Network Resource Centre' গঢ়ি তোলা হৈছে, যিবিলাকৰ সুফল ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে ল'ব পাৰিছে। তদুপৰি সকলো সময়তে Internet ৰ সুবিধা পাব পৰাকৈ মহাবিদ্যালয়ত স্থাপন কৰা হৈছে এটা VSAT. মহাবিদ্যালয়ত স্থাপন কৰা হৈছে এটা 40 KV ৰ জেনেৰেটৰ যাৰ দ্বাৰা গোটেই মহাবিদ্যালয়তে প্ৰয়োজনীয় সময়ত বিদ্যুৎশক্তিৰ যোগান অব্যাহত ৰাখিব পৰা যায়। মহাবিদ্যালয়ত উপলব্ধ এই সুবিধাবোৰৰ প্ৰত্যক্ষ প্ৰভাৱ ছাত্ৰ-শিক্ষকৰ বিদ্যায়তনিক দিশত পৰাটো দেখা যায়। উদাহৰণ দি ক'ব পৰা যায় যে বিগত পাঁচটা বছৰত আঠটা ক্ষুদ্ৰগৱেষণা আঁচনি (Minor Research Project) আৰু এটা DST প্ৰজেক্টৰ কাম শিক্ষকৰ দ্বাৰা সমাপ্ত কৰা হৈছে। তিনিজন শিক্ষকে গৱেষণাৰ তত্ত্বাৱধায়কৰ ক্ষমতা লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি শতাধিক গৱেষণা পত্ৰ এই মহাবিদ্যালয়ৰ শিক্ষকৰ দ্বাৰা দেশ-বিদেশ চেমিনাৰত উচ্চ প্ৰশংসিত হৈছে। বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলক ক্ষেত্ৰ অধ্যয়নৰ যোগেদি প্ৰয়োগিক শিক্ষাত গুৰুত্ব দিয়া হৈছে। বিশ্বৰ পৰিবৰ্তিত পৰিস্থিতিৰ লগত ছাত্ৰ-ছাত্ৰীসকলক খাপ খুউৱাব পৰাকৈ বিভাগে বিভাগে প্ৰকাশ কৰা হয় কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ আলোচনী। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বাৰা 'দাইমেনচন', শিক্ষা বিভাগৰ দ্বাৰা প্ৰজ্ঞান, ভূগোল বিভাগৰ দ্বাৰা জ্যোতিৰূপা আদিৰ উপৰিও ভূগোল, অৰ্থনীতি, ৰাজনীতি আদি বিভাগে প্ৰকাশ কৰি উলিয়াইছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ তথা কৰ্মশালাসমূহৰ গৱেষণা পত্ৰসমূহৰ প্ৰকাশ গ্ৰন্থ। ইয়াৰ লগতে অসমীয়া বিভাগৰ অধ্যাপক খঞ্জন কুমাৰ দাস আৰু ৰাস্না ৰাজখোৱাৰ প্ৰচেষ্টাত দৈনিক এটাকৈ কবিতা প্ৰকাশ হোৱা। 'আজিৰ কবিতা' শীৰ্ষক এখনি ক্ষুদ্ৰ আলোচনী প্ৰকাশ হৈ আহিছে। মহাবিদ্যালয় ভূগোল বিজ্ঞান বিভাগত বৰ্তমান স্থাপন কৰা হৈছে আধুনিক যুগৰ অতি প্ৰয়োজনীয় GIS আৰু Remote Sensing ৰ লেবৰেটৰী।

গুণগত শিক্ষাৰ প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ মাজত বিয়পোৱাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ 'Career counselling and guidance cell' ৰ দ্বাৰা বিভিন্ন বিষয়ৰ ওপৰত কৰ্মশালা অনুষ্ঠিত কৰা হয়। বিগত ৩ বছৰৰ ভিতৰত মহাবিদ্যালয়ত অনুষ্ঠিত হয় চাহখেতিত উন্নত প্ৰযুক্তিৰ প্ৰয়োগ, মৎস পালন আৰু অলংকাৰীক মাছৰ উৎপাদন, কম্পিউটাৰ শিক্ষা চফট্‌ওৱেৰ বিকাশ আৰু নেটওৱৰ্কিং, ড্ৰামা আৰু থিয়েটাৰ, প্ৰতিযোগিতাৰে সংস্থাপন, গ্ৰাম্য নাৰী আৰু শিশুৰ স্বাস্থ্য সচেতনতা, যোগবিদ্যা আৰু স্বাস্থ্য, পৰিবেশ আৰু জীৱকূল, লাইব্ৰেৰী, অটোমেচন আৰু ওৱেবডিজাইনিং ইত্যাদি বিষয়ৰ কৰ্মশালা। উল্লেখ্যযে এই কৰ্মশালাবোৰ মহাবিদ্যালয়ৰ সীমাৰ বাহিৰতো অনুষ্ঠিত কৰি অহা হৈছে আৰু মহাবিদ্যালয় NCC, NSS বাইঅ'লজিকেল ছটাইটি, ইকনমিক্ প্লেনিংফোৰাম্ আদিয়ে প্ৰত্যক্ষ সহায় আগবঢ়াই আহিছে। মহাবিদ্যালয়ৰ NCC বাহিনী গঠিত হয় ১৯৬৫ চনত। বৰ্তমান এই বাহিনীয়ে ওচৰতে থকা দ্বাদশ অসম আৰক্ষী বাহিনীৰ সৌজন্যত যথেষ্ট গতিশীলতা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই বাহিনীৰ দ্বাৰা ২০১৩-১৪ বৰ্ষটোত দুটাকৈ সামাজিক সেৱাৰ কৰ্মশালা, এটা বৃক্ষৰোপন কৰ্মশালা আৰু এটা চাইকেল ৰেলী কৰা হয়। য'ত ভিতৰুৱা গ্ৰাম্য জনসাধাৰণক স্বাস্থ্য সজাগতাৰ উপৰিও দেশৰ ঐক্য সংহতিৰ বাবেও সজাগ কৰা হয়। ২০০৫ বৰ্ষৰ পৰা মহাবিদ্যালয়ত স্থাপন কৰা হয় এটা আধুনিক ব্যামাগাৰ (multigym) য'ত

মহাবিদ্যালয়ৰ ছাত্ৰৰ উপৰিও ওচৰৰ গাঁৱৰ যুৱ চামেও সুবিধা ল'বলৈ সক্ষম হ'ব পাৰিছে। ইয়াৰ উপৰিও নিৰ্মিয়মান অৱস্থাত আছে এটা আধুনিক "outdoor stadium"। এইটো সম্পূৰ্ণ হৈ উঠিলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ওচৰৰ গাঁওসমূহৰ লোকসকল উপকৃত হ'ব বুলি আশা কৰা হৈছে।

সাম্প্ৰতিক নদুৱাৰ অঞ্চলৰ যুৱক-যুৱতীসকল চাহ খেতি মৎস পালন আদিৰ দ্বাৰা স্বনিয়োজিত হোৱা দেখা গৈছে। নিসন্দেহে এইটো এটা শুভ লক্ষণ। এই দুটা বিষয়ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ জন্মাবৰ বাবে মহাবিদ্যালয়ত প্ৰতিষ্ঠা কৰা হৈছে ১৫ বিঘা মাটিৰ এখন চাহ বাগিচা। ২০১১ বৰ্যত বিশ্বনাথ চাৰিআলিত থকা ফাৰ্মমেচিনাৰী আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা আৰু নদুৱাৰৰ গ্ৰেজুৱেট ইউনিয়নৰ সৌজন্যত চাহখেতিৰ ওপৰত দুদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। তদুপৰি মহাবিদ্যালয়ত মৎস পালনৰ বাবে কেইবাটাও পুখুৰী ব্যৱহাৰ কৰি উক্ত বিষয়ৰ ওপৰত কৰ্মশালা পাতি ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰাৰ চেষ্টা চলোৱা হৈছে।

মহাবিদ্যালয়খন সুপৰিচালনাৰে ছাত্ৰ-ছাত্ৰীসকলক গুণগত শিক্ষা প্ৰদানেৰে আগবঢ়াই নিয়াৰ উদ্দেশ্যে বিভিন্ন কমিটীবোৰে প্ৰশাসনক সহায় কৰি আহিছে। সেইসমূহ হ'ল— আই কিউ এ চি (IQAC), ইউ জি চি (UGC), চি অ' পি (COP), উন্নয়ন কমিটী (Development committee), পৰীক্ষা নিয়ন্ত্ৰণ কমিটী, সেউজ উদ্যোগ পৰিচালনা সমিতি, বৃত্তি প্ৰদান সমিতি (Poor Aid), ষ্টুডেণ্ট গ্ৰিভেনচেচ্ আৰু ৰিড্ৰেচেল কমিটী ইত্যাদি।

গ্ৰামাঞ্চলৰ মহাবিদ্যালয় হিচাবে দুৰদূৰণীৰ জয়সিদ্ধি, মৰিসুতি, টুপীয়া, পাণপুৰ, চিজুচা, খনামুখ আদি অতি পিছপৰা অঞ্চলৰ বহু দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীয়ে অশেষ কষ্টৰে পঢ়াশুনা কৰি আছে। এইসকল দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহত সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ব পাৰিছে। ২০১৩ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ কলাশাখাত ৬৫ শতাংশ আৰু বিজ্ঞান শাখাত ৭৫ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ লগতে ইয়াৰে ১১ গৰাকীয়ে প্ৰথম বিভাগ পাবলৈ সক্ষম হৈছে। আমাৰ কাৰণে সৌভাগ্যৰ বিষয় যে যোৱা ২২/০১/২০১৪ তাৰিখে অসম চৰকাৰে যিসমূহ মহাবিদ্যালয়ক প্ৰাদেশীকিকৰণৰ স্বীকৃতি দিলে তাত আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটিও অন্তৰ্ভুক্ত হৈছে। এই সিদ্ধান্তই মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে সকলোকে কৰ্মৰ প্ৰতি অধিক উৎসাহিত কৰিছে।

২০১১ বৰ্ষত ২২ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ প্ৰফেচৰ এচ এফ পাটিলৰ (প্ৰাক্তন ভাইচ চেন্সেলৰ, পুনেৰ ভাৰতী বিদ্যাপীঠ বিশ্ববিদ্যালয়) অধ্যক্ষতাত NAAC ৰ পিয়েৰটীমটোৱে আমাৰ মহাবিদ্যালয়ৰ গুণগত দিশটো পৰীক্ষা কৰি নিম্নলিখিত ধৰণে মতামত দি গৈছে। সেইসমূহ চমুকৈ তলত উল্লেখ কৰা ধৰণৰ—

Adequate number of class rooms, common rooms for boys and girls, rest rooms are available. Auditorium with a capacity of 600 seating capacity is available. Hostels for boys and girls available. Sports facility both indoor and outdoor games is available. Spacious parking, canteen and pure drinking water facilities are available. Installation of high-power generator to circumvent power problem. Maintenance of clean campus. Good collection of subject books. Performance of students in the university examinations has improved since the last accreditation. Active alumni association exists. Alumni initiated measures like fish farming in the campus for resource generation is worth praising. Cultural and sports activities are encouraged. Wall and college magazines exist for students. Yearly perspective plan is prepared. Several committees are in place. Audit mechanism is in place. Good relation with students, Alumni and parents. Social responsibility is taught through NSS, NCC and Rovers. Conducive learning environment. Institution provides higher education to the backward communities of the rural areas. Sincere and committed students are getting admitted to the college. Good performance from a few departments and faculty members. ❐❐

(লেখক মহাবিদ্যালয়ৰ অধ্যক্ষ)

T.H.B, College Library
Jamugurihat, Sonitpur
Assam
ACC, No.........

# অসমৰ জনগোষ্ঠী আৰু সাম্প্ৰতিক অৱস্থা

শ্যামলিমা শইকীয়া

অসমখন পৰৱৰ্তী কালত গঢ়লৈ উঠা এখন দেশৰ প্ৰদেশ। ভাৰতৰ জাতিগত যি ছটা বিভাগ আছে সেই কেইটা যেনে— নেগ্ৰিটো, প্ৰটঅষ্ট্ৰলয়ড, মঙ্গোলয়ড, মেডিটেৰাণীয়ন, ৱেষ্টাৰ্ণ ব্ৰেকীচেফান আৰু নাৰ্দিক। এই আটাইকেইটা বিভাগৰে লোক কম বেছি পৰিমাণে অসমত সানমিহলি হৈ আছে। সেয়ে অসমীয়া জাতি এটা সংমিশ্ৰিত জাতি। বিভিন্ন সম্প্ৰদায়ৰ সংমিশ্ৰণত আজিৰ অসমীয়া জাতিৰ সৃষ্টি। ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা উপনৈবোৰ আহি ব্ৰহ্মপুত্ৰতে পৰাৰ পাছতে ব্ৰহ্মপুত্ৰৰ পৰা মহাবাহু ব্ৰহ্মপুত্ৰ হৈছে। সেই দৰেই সকলো সৰু-বৰ জাতি-উপজাতিৰ সংমিশ্ৰণত অসমীয়া জাতি হিচাবে গঢ়লৈ উঠিছে।

গোষ্ঠীৰ অভিধানিক অৰ্থ হ'ল সম্প্ৰদায়, জ্ঞাতি। অসমত স্থায়ী ভাবে থকা প্ৰায় সকলো গোষ্ঠীয়েই পুৰণি ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ভাষা-সংস্কৃতি আদি এৰা ধৰা কৰি চলি থাকিলেও নিজ পৰিচয় অটুত ৰখাৰ স্বাৰ্থতেই কিছুলোকে সম্পূৰ্ণকৈ পুৰণিক ত্যাগ কৰা নাই বুলিব পাৰি। তাৰ মাজতো কিছুলোক বৰ্তমানো আছে, যিসকলে পুৰণিক সম্পূৰ্ণকৈ ত্যাগ কৰি নতুনকে আন্তৰিকতাৰে গ্ৰহণ কৰিছে। বৰ্তমান দেখা দিয়া সংঘৰ্ষৰ মূল উৎস ও এৰা ধৰা বুজা পৰাৰ মাজতে সোমাই আছে বুলিব পাৰি।

এতিয়া চোৱা যাও অসমৰ কোন কেইটা জাতি কোন গোষ্ঠী ভূক্ত—

**নেগ্ৰিটো**— সাধাৰণতে দক্ষিণ ভাৰতৰ কেইটামান জনজাতিৰ লোক নেগ্ৰিটোৰ গোষ্ঠী ভূক্ত। অবিভক্ত অসমৰ নগা জনজাতি সম্প্ৰদায়হে নেগ্ৰিটোৰ অন্তৰ্ভূক্ত।

**প্ৰটঅষ্ট্ৰলয়ড**— প্ৰট-অষ্ট্ৰলয়ড গোষ্ঠীৰ ভূক্ত জাতি হিচাবে অষ্ট্ৰিক ভাষী কোল, মুণ্ডা, চাওতাল আদি পৰে। অবিভক্ত অসমৰ খাচি আৰু জয়ন্তীয়া লোক সকলো এই গোষ্ঠীত ধৰে।

**মঙ্গোলয়ড**— অসমৰ জনজাতিৰ অধিক সংখ্যক লোক মঙ্গোলয়ড গোষ্ঠীভূক্ত। অবিভক্ত অসমৰ খাচি-জয়ন্তীয়া লোকসকলৰ গাটো মঙ্গোলয়ড গোষ্ঠীৰ তেজ আছে বুলি পণ্ডিতসকলে কয়।

অসমৰ বড়ো, ডিমছা, লালং, সোনোৱাল, কছাৰী, ৰাভা, গাৰো, মিৰি, মিছিং, মিকিৰ আদি গোষ্ঠীসমূহ মঙ্গোলয়ড গোষ্ঠীভূক্ত।

**মেডিটেৰাণীয়ান**— দ্ৰাবিড়ী ভাষা-ভাষীৰ লোকসকল মেডিটেৰাণীয়ান গোষ্ঠীভূক্ত। অসমৰ কয়লাখনি, চাহ বাগান আদিত কাম কৰা লোকসকলৰ অনেকেই এই মেডিটেৰীয়ান গোষ্ঠীভূক্ত।

**ৱেষ্টাৰ্ন ব্ৰেকী চেফান**— এই গোষ্ঠী ভূক্তলোকসকল সাধাৰণতে গুজৰাট, মহাৰাষ্ট্ৰ আৰু বঙ্গদেশত আছে যদিও তেওঁলোক দ্ৰাবিড়ী আৰু আৰ্যভাষী লোকসকলৰ লগত সংমিশ্ৰিত হৈ সুকীয়া পৰিচয় প্ৰায় হেৰুৱাই পেলাইছে বুলিব পাৰি।

**নাৰ্দিক**— এই নাৰ্দিক গোষ্ঠীটোৱেই হ'ল প্ৰকৃত আৰ্যসকল। তেওঁলোকে মূলতঃ পশ্চিমৰ পৰাই ভাৰতত প্ৰবেশ কৰে। ভাৰতলৈ অহাৰ পূৰ্বে তেওঁলোকো জনজাতি লোকেই আছিল।

এতিয়া আহো অসমখন বৃটিছ শাসনাধীন হোৱাৰ আগৰ কথালৈ। তেতিয়াও অসমখন অসম নামেৰে জনাজাত হোৱা নাই। উত্তৰ পশ্চিম, পুব আদি ফালৰ বিভিন্ন গোষ্ঠীসমূহ আহি মকৈ ৰাজ্য স্থাপন কৰি ন-পুৰণি লোকসকল একহৈ ৰাজ্য বোগ কৰা দিনৰ কথা। সেই সময়ত উত্তৰ পূবত চুতীয়া গোষ্ঠী, পশ্চিমত কমতাৰ ভেটিত স্থাপন হোৱা কোচৰাজ্য মধ্যখণ্ডত ভূঞাসকলে আৰু পূব-দক্ষিণখণ্ডত বড়ো-কছাৰীসকলে সমিল-মিলেৰে ৰাজ্য ভোগ কৰিছিল। এনেতে সুলভ মঙ্গোলয়ত গোষ্ঠী ভূক্ত আহোম

সকলো আছে পুব দিশৰ পৰা। তেওঁলোকেই মঙ্গোলয়দ গোষ্ঠীৰ আটাইতকৈ শেষত অহা গোষ্ঠী। তেওঁলোক সৰু-বৰ জাতিসমূহ ওপৰত একাধিপত্য শাসন কৰি নিজেও মিলি আনকো মিলাই ৰাজ্য ভোগ কৰে। তেওঁলোক অহাৰ আগৰে পৰা ব্ৰহ্মপুত্ৰ উপৈত্যকাৰ পুব-দক্ষিণ দিশত শাসন চলাই থকা বড়োসকলো আহোমৰ আক্ৰমণত তিষ্টিব নোৱাৰি দক্ষিণ ফালে যাবলৈ বাধ্য হয়। বৰ্তমানৰ ডিমাপুৰ, মাইবং, খাচপুৰ আদিত ৰাজধানী পাতি নতুনকৈ ৰাজ্য শাসন কৰে। বড়ো, কছাৰীসকলে পূৰ্বতে শাসন কৰা অঞ্চলটো আহোমসকলে নিজ ৰাজ্য ভূক্ত কৰাৰ পাছতব্ৰহ্মপুত্ৰ উপৈত্যকাৰ উত্তৰ-পূবত থকা চুতীয়া ৰাজ্যও নিজ ৰাজ্যৰ অধীনলৈ আনে। আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পুব আৰু মধ্যখণ্ডৰ সৰু-সুৰা ৰাজ্যবোৰ নিজ ৰাজ্য ভূক্ত কৰাৰ দৰে পশ্চিমৰ কোচ ৰাজবংশীসকলেও অন্যান্য সৰু-সুৰা ৰাজ্যসমূহ নিজ ৰাজ্য ভূক্ত কৰি শক্তিশালী হৈ পৰে। আহোম আৰু কোঁচ ৰাজবংশীসকলৰ হেঁচাত টিকিব নোৱাৰি মধ্য অসমৰ শক্তিশালী ভূঞা ৰাজ্যও কোঁচ আৰু আহোম ৰাজ্যত জাহ যায়।

পূবত আহোম আৰু পশ্চিমত কোঁচ ৰাজবংশীসকলে স্ব-ইচ্ছাই বৈদিক হিন্দুধৰ্ম গ্ৰহণ কৰে আৰু নিজ নিজ প্ৰজাকো তেনে কৰিবলৈ উদ্‌গনি দিয়ে। আহোমসকলে হিন্দুসকলৰ দেৱ-দেৱতা পূজা সেৱা কৰিবলৈ মঠ-মন্দিৰ, দ'ল, দেৱালয়সমূহ পাতি দিয়াৰ দৰেই কোঁচসকলেও আন্তৰিকতাৰে 'বৈদিক ধৰ্ম' গ্ৰহণ কৰি প্ৰজাৰ সুবিধাৰ বাবেই বিভিন্ন মন্দিৰ আদি নিৰ্মাণ কৰি দিয়াৰ উপৰি মোগলে ধ্বংস কৰা কামাখ্যা মন্দিৰো পুনৰ নিৰ্মাণ কৰাই দিয়ে লগতে মোগল ৰাজ্যৰ পৰা দেশান্তৰিত হোৱা হিন্দুৰ ব্ৰাহ্মণসকলকো নিজ ৰাজ্যত পুনৰ সংস্থাপন কৰি দিয়ে আৰু পূজা সেৱা কৰাৰ সুবিধা কৰি দিয়ে।

আহোম আৰু কোঁচ ৰাজ্যত মহাপুৰুষ শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ সময়ত কিছু বাধা বিপত্তি সত্বেও ৰজাঘৰীয়া আন্তৰিকতাৰে সহযোগ লাভ কৰিছিল। তেনে কৰাৰ ফলত জাতিগত ভাৱে পাছ পৰা বহুতো লোকে বৈষ্ণৱ ধৰ্মগ্ৰহণ কৰি হিন্দু ধৰ্মৰ সমাজ ভূক্ত হয়।

দেশ স্বাধীন হ'ল। স্বাধীন চৰকাৰে অনুভৱ কৰিলে দেশৰ বহুতো প্ৰজা সকলো দিশতে পাচ পৰিয়েই ৰ'ল। সেই পাচ পৰা অৱহেলিত আৰু নিষ্পেষিত লোকসকলক অনান্য আগবঢ়া লোকসকলৰ লগত সমান কৰিবৰ বাবে তেওঁলোকেও একেলগে দেশৰ স্বাধীনতা ভোগ কৰিবৰ বাবে তেওঁলোকক বাচি উলিয়াই ব্যৱস্থা ল'বলৈ সংবিধানত ব্যৱস্থা ৰাখে। প্ৰথমতে লোকসকলৰ মাজত দুটা ভাগ কৰি এভাগক অনুসূচীত জাতি আৰু আন ভাগক অনুসূচীত জনজাতি হিচাবে ধৰি তাক কেনেকৈ বাচি উলিয়াব সেইয়াও সংবিধানত উল্লেখ কৰে। পাচত দেখা গ'ল তেনে কৰাৰ পাচতো কিছু লোক সামাজিকভাৱে আৰু শিক্ষা-দীক্ষাই পিছ পৰিয়েই ৰ'ল। সেইলোকসকলকো বাচি উলিয়াবৰ বাবে সংবিধানত ব্যৱস্থা ৰাখিলে। তেনেলোকসকলক অন্যান্য পাচ পৰা শ্ৰেণী বুলি ধৰা হ'ল।

সংবিধানৰ ৩৩৯ ধাৰামতে অনুসূচিত জনজাতিৰ লোকসকলৰ বসতি পূৰ্ণ চলোৱা প্ৰশাসনীয় কাম-কাজ সঠিক ভাৱে চলিছেনে নাই সেই অঞ্চলৰ উন্নয়নৰ বাবে হাতত লোৱা আঁচনিসমূহৰ অগ্ৰগতিৰ সঠিক বুজ ল'বলৈ প্ৰতি দহ বছৰৰ মূৰে মূৰে এখন আয়োগ গঠন কৰি চোৱাৰ সংবিধানত ব্যৱস্থা ৰাখিছে। কেন্দ্ৰীয় চৰকাৰে সেই লোকসকলক আগবঢ়াই আনিবৰ বাবে কোটি কোটি টকা খৰচ কৰিছে। উদ্দেশ্য নিঃসন্দেহে সজ কিন্তু সেই খৰচ হোৱা ধনৰ সৎ ব্যৱহাৰ হৈছেনে নাই তাক চৰকাৰে চোৱাৰ কোনো ব্যৱস্থা নকৰি যি দলেই চৰকাৰ গঠন দেশ-শাসন কৰে সেই চৰকাৰেই তাক চোৱাৰ সময় সীমা আকৌ দহ বছৰৰ বাবে বঢ়াই দিয়ে। ফল স্বৰূপে অনিৰ্দিষ্ট কালৰ বাবে সেই লোকসকলে সকলো সুবিধা ভোগ কৰি আছে। এটা কথা ঠিক যিলোকে সুবিধা হেৰুৱাৰ ভয়ত যদি পাচ পৰি থাকে সেইলোকে কিন্তু কেতিয়াও আগবাঢ়িব নোৱাৰিব। চৰকাৰে খৰচ কৰা ধনৰ বিনিময়ত যিসকল লোক আগবাঢ়িল সেই আগবঢ়া লোকসকলে পাই থকা বিশেষ সুবিধাবোৰৰ পৰা বঞ্চিত কৰিব লাগিছিল। তেনেদৰে ৰাহি হোৱা ধন এতিয়াও পাচ পৰি ৰোৱাসকলৰ বাবে খৰচ কৰিব লাগে তেনে কৰাহেঁতেন বৰ্তমানো পাচ পৰা লোকৰ সংখ্যা কমি আহিলহেঁতেন।

বহুতো অন্যান্য পিচপৰা শ্ৰেণীৰ লোক মূলতঃ জনজাতিৰ লোক হ'লেও তেওঁলোক দেশ স্বাধীন হোৱাৰ আগতেই সকলো দিশতে আগবাঢ়ি আছিল। আহোম, চুতীয়া, কোঁচ আদি লোকে নিজাকৈ দেশ শাসন কৰিছিল। মৰাণ, মটকসকলে মূলতঃ টাই-মঙ্গোলীয় গোষ্ঠী ভুক্ত হ'লেও পৰৱৰ্তী কালত শংকৰদেৱৰ প্ৰতি নৱ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি এখন নতুন সমাজ গঢ়ি তোলে। তেনে কৰাৰ

ফলত তেওঁলোকেও জনজাতিৰ স্তৰ অতিক্ৰম কৰে। ফল স্বৰূপে কেন্দ্ৰীয় চৰকাৰে তেনে গোষ্ঠীসমূহক অনুসূচীত জনজাতিৰ তালিকা ভূক্ত কৰা নাছিল। তেওঁলোকৰ ফালৰ পৰা আপত্তি দৰ্শোৱা নাছিল, কিন্তু পৰৱৰ্তী কালত একে গোষ্ঠীভূক্ত কিছুলোকে অনিৰ্দিষ্ট কালৰ বাবে জনজাতিয়ে পোৱা সুবিধা ভোগ কৰিব সেইটো মানিবলৈ টান পোৱা হ'ল। তেওঁলোকে দলবান্ধি তাৰ বিৰোধিতা কৰিবলৈ ধৰে। তেওঁলোকৰ যুক্তি হ'ল বড়োসকল বৰ্তমান জনজাতিৰ লোক। যিহেতু আমিও মূলতঃ বড়ো গোষ্ঠী ভূক্ত লোক সেয়ে বড়োসকলে জনজাতিৰ তালিকাভূক্ত হ'লে আমিও হ'ব লাগিব। একে গোষ্ঠীৰে ভূক্ত কোচ ৰাজবংশী লোকসকল মেঘালয় আৰু ত্ৰিপুৰাত অনুসূচীত জনজাতি পশ্চিমবঙ্গত অনুসূচীত বুলি স্বকৃতি দিছে। অসমত কিন্তু অন্যান্য পিচপৰা শ্ৰেণী ভূক্তহে কৰিছে। সেইটো হ'ব নালাগে। সকলোকে এক কৰিব লাগে। সকলো প্ৰদেশতে হয় অনুসূচীত জাতি, অনুসূচীত জনজাতি নহয়। অন্যান্য পিচপৰা পৰা শ্ৰেণী ভূক্ত হ'ব গোষ্ঠী সংঘৰ্ষৰ সূত্ৰটো এনেদৰে আৰম্ভ হয় বুলিব পাৰি।

একালত আমি অসমীয়া বুলি পৰিচয় দিয়া বহুতো গোষ্ঠীয়ে বৰ্তমান সুকীয়া ৰাজ্যৰ মৰ্যদা বিচাৰিছে বুলিব পাৰি। আমাৰ লগত মিলি-জুলি থাকিলে তেওঁলোকৰ সুকীয়া পৰিচয় হেৰোৱাৰ ভয়। আমি তেওঁলোকৰ দৃষ্টি-ভঙ্গীৰেও চাব পাৰিব লাগিব।

ন-পুৰণি সকলোৰে সংমিশ্ৰণতহে অসমীয়া জাতি গঢ়লৈ উঠিছে। সেইয়া উভয় পক্ষই চিন্তা কৰা উচিত। আমি পৰস্পৰৰ মাজত থকা সুসম্পৰ্ক অটুত ৰাখিব পাৰিলে সন্মুখত দেখা দিয়া হাজাৰ সংঘাতেও আমাক বিচলিত কৰিব নোৱাৰিব। ❐❐



(লেখিকা মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ পঞ্চম ষান্মাষিকৰ ছাত্ৰী)

# Not me but you

Irani Dutta Medhi

Ever since independence there has been growing awareness of the desirability in involving students in national service. The first education commission (1950) recommended the introduction of national service by students on a voluntary basis. In April 1967 the conference of state Education Minister recommended that University stage students could be permitted to join the National Cadet Corps which was already in existence on a voluntary basis and an alternative to this could be offered to them in the form of a new programme called the National Service Scheme (NSS). The choice of the timing of its introduction was remarkably suspicious as 1969 was the birth centenary year of Mahatma Gandhi, the father of the Nation to whom social service was almost a religion. The NSS programme was started in (THB College) our college in 1978. The response of the students to this programme has been excellent since then. The enterprise started by the programme Officer Mr. Apurba Kumar Medhi, the NSS students/ volunteers has been instrumental in bringing about various types of awareness among the village people of this area. Under this scheme all NSS students were benefited in managing the community service in their social life and in developing their personality. The motto of the NSS is 'NOT ME BUT YOU'. This expresses the essence of democratic living and upholds the need for selfless service and appreciation of the other man's point of view and also to show consideration for fellow human beings. It underlies that the welfare of an individual is ultimately dependent on the welfare of society as a whole. Therefore, it should be the aim of the NSS to demonstrate this motto in its day to day programme.

Social service Programme

i) Work in welfare organization of women
ii) Imparting teaching to women in knitting, sewing, embroidery etc.
iii) Awareness amongst women in exercising their rights.
iv) Conducting socio-economic surveys
v) Working with people in nutrition programme.
vi) Awareness Programmes (HIV)
vii) Construction and repair of college campus roads.
viii) Creation of tree consciousness
ix) Advocating people on the preservation of forest and wild life.
x) Other activities

(Writer : Vice Principal, Associate Professor, Deptt. of Economics and Programme Officer, NSS)